Guwahati, Friday, May 19, 2023
দৈনিক জনমভূমি

# গোৱালপাৰা মহাবিদ্যালয়ত 'প্ৰাক্তন সতীৰ্থ সমাৰোহ'ৰ আয়োজন

গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ১৮ মে' ঃ ১৯৫৫ চনতে স্থাপন কৰা ঐতিহ্যমণ্ডিত গোৱালপাৰা মহাবিদ্যালয়খনে ৬৮ বছৰীয়া গৰিমাৰ জয়ধ্বজা লৈ 'নাক' পৰিদৰ্শনৰ দুৱাৰডলিত উপনীত হৈ অহা ২১ মে'ত আয়োজন কৰিছে 'প্ৰাক্তন সতীৰ্থ সন্মিলন'। মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ জ্যোতিষ দাসক সভাপতি হিচাপে লৈ ইতিমধ্যে গোৱালপাৰা মহাবিদ্যালয় সতীৰ্থ সংস্থা গঠন কৰি ব্যাপক আয়োজন আৰম্ভ হৈছে। দেশ-বিদেশত সিঁচৰতি হৈ থকা একালৰ ছাত্ৰসকলে সন্মিলনলৈ পূৰ্ণ সমৰ্থন জনাই বেছি সংখ্যকেই যোগদানৰ নিশ্চিতি প্ৰদান কৰিছে। শোভাযাত্ৰাত সাংস্কৃতিক অনুষ্ঠানৰ লগতে এখন স্মাৰক গ্ৰন্থ প্ৰকাশৰ বাবে সাজু হৈছে। আজি এটা বিবৃতিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে বিস্তৃত কাৰ্যসূচী আৰু প্ৰস্তুতিৰ অগ্ৰগতি সদৰী কৰি সকলো প্ৰাক্তন সতীৰ্থকে উৎসাহ-উদ্দীপনাৰে সতীৰ্থ সন্মিলনত অংশ লৈ গৌৰৱোজ্জ্বল নিজ শিক্ষানুষ্ঠানখনৰ আত্মিক সম্পৰ্ক ৰক্ষা কৰিবলৈ আহ্বান জনাইছে।